**SET-4**

**Series ΩQAΩA/C**

**Q.P. Code 15**

Roll No. | | | | | | | | |

Candidates must write the Q.P. Code on the title page of the answer-book.

- Please check that this question paper contains **4** printed pages.
- Q.P. Code given on the right hand side of the question paper should be written on the title page of the answer-book by the candidate.
- Please check that this question paper contains **12** questions.
- **Please write down the serial number of the question in the answer-book before attempting it.**
- 15 minute time has been allotted to read this question paper. The question paper will be distributed at 10.15 a.m. From 10.15 a.m. to 10.30 a.m., the students will read the question paper only and will not write any answer on the answer-book during this period.

# অসমীয়া
# ASSAMESE

*সময়: 2 ঘণ্টা* | *সৰ্বমুঠ নম্বৰ : 40*

*Time allowed : 2 hours* | *Maximum Marks : 40*

## SECTION A
## (বোধ পৰীক্ষণ)

**1.** তলত দিয়া অনুচ্ছেদটো পঢ়ি নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ লিখা – *4×2=8*

শ্ৰী হৰ্ষদেৱ আনুমনিক ৭২৫ খ্ৰীঃত কামৰূপৰ সিংহাসনত বহে । তেওঁ নিজ বাহুবলেৰে গৌড় (উত্তৰ পশ্চিমবংগ), ওড্ৰ (বৰ্তমান উৰিষ্যা), কলিংগ (মহানদী আৰু গোদাবৰী নদীৰ মাজৰ অঞ্চল) আৰু কোশল (উত্তৰ বিহাৰ) ৰাজ্য জয় কৰি কামৰূপ ৰাজ্যৰ সীমা বঢ়াই এখন বিশাল সাম্ৰাজ্যৰ সম্ৰাট হৈছিল । তাৰ পিছত বংগদেশত খোপনি পুতি লৈ তেওঁ দক্ষিণ আৰু পশ্চিম ফালে ৰাজ্যৰ সীমা বঢ়ায় । বৰ্তমান অসম, বঙ্গদেশ, বিহাৰ আৰু উৰিষ্যা — এই আটাইকেইখন ৰাজ্যই

শ্ৰীহৰ্ষদেৱৰ সাম্ৰাজ্যৰ ভিতৰত পৰিছিল । ইয়াৰ উপৰিও সম্ভৱতঃ উত্তৰ প্ৰদেশৰ পূব অংশ আৰু অন্ধ্ৰপ্ৰদেশৰ উত্তৰ অংশ তেওঁৰ সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত হৈছিল । গতিকে শ্ৰীহৰ্ষদেৱৰ ৰাজত্বকালত কামৰূপ ৰাজ্যৰ সীমা উত্তৰে হিমালয়ৰ পৰা দক্ষিণ — পশ্চিমে বঙ্গোপসাগৰ আৰু উৰিষ্যা আৰু পূবে শদিয়াৰ পৰা পশ্চিমে অযোধ্যালৈকে বিস্তাৰ হৈছিল । তেওঁৰ দিনতেই কামৰূপ ৰাজ্যৰ সীমাই আটাইতকৈ বেছি বিস্তাৰ লাভ কৰি সাময়িকভাৱে হলেও গৌৰৱৰ উচ্চ শিখৰত উপনীত হৈছিল । শ্ৰীহৰ্ষদেৱে তেওঁৰ জীয়েক ৰাজ্যমতীক নেপালৰ ৰজা জয়দেৱলৈ বিয়া দিছিল । জয়দেৱৰ নেপাল লিপিত লিখা আছে যে ৰজা জয়দেৱে গৌড়, ওড্ৰ, কলিঙ্গ, কোশল আৰু আন ৰাজ্যৰ অধিপতি বিখ্যাত ভগদত্ত ৰজাৰ বংশধৰ শ্ৰীহৰ্ষদেৱৰ গুণৱতী কন্যা ৰাজ্যমতীক বিয়া কৰিছিল । শ্ৰীহৰ্ষদেৱৰ কন্যা ৰাজ্যমতী নেপালৰ মহাৰাণী হৈ নেপালৰ বিখ্যাত পশুপতিনাথ মন্দিৰ সজাইছিল ।

শ্ৰীহৰ্ষদেৱৰ এই বিশাল সাম্ৰাজ্য বৰ বেছিদিন নিটিকিল । সোনকালে কনৌজত যশোবৰ্মণ নামে এজন ৰজা তেওঁৰ প্ৰতিদ্বন্দী হিচাপে থিয় হ'ল । যশোবৰ্মণে সমগ্ৰ উত্তৰ ভাৰত জয় কৰিবলৈ অভিলাষ কৰিছিল । প্ৰায় ৭৫০ খ্ৰীঃ মানত যশোবৰ্মণে শ্ৰীহৰ্ষদেৱক আক্ৰমণ কৰে । যুদ্ধত শ্ৰীহৰ্ষদেৱ হাৰে আৰু যশোবৰ্মণৰ হাতত শ্ৰীহৰ্ষদেৱৰ মৃত্যু হয় ।

শ্ৰীহৰ্ষদেৱৰ মৃত্যুৰ লগে লগে বিশাল সাম্ৰাজ্য ধ্বংস হয় । ইয়াৰ পিছত বনমাল বৰ্মণে কামৰূপৰ হেৰুৱা গৌৰৱ কিছু পৰিমাণে পুনৰুদ্ধাৰ কৰিছিল ।

(i) শ্ৰীহৰ্ষদেৱৰ ৰাজত্বকালত কামৰূপ ৰাজ্যৰ সীমা ক'ৰ পৰা ক'লৈ বিস্তাৰ হৈছিল ?

(ii) শ্ৰীহৰ্ষদেৱে নেপালৰ লগত কেনেদৰে সম্পৰ্ক গঢ়িছিল ?

(iii) কোনে, কেতিয়া শ্ৰীহৰ্ষদেৱৰ সাম্ৰাজ্য ধ্বংস কৰিছিল ।

(iv) তলত দিয়া শব্দকেইটাৰ একোটাকৈ সমাৰ্থক শব্দ লিখা –

নদী, ৰজা

## SECTION B
## (লিখন কলা)

**2.** “ম” বিদ্যালয়ত অনুষ্ঠিত হৈ যোৱা “শিশু দিৱস”ৰ দিনটোৰ বিষয়ে জনাই বাতৰিকাকতত প্ৰকাশৰ বাবে এখন প্ৰতিবেদন যুগুত কৰা । *4*

**3.** দীঘলীয়া বন্ধৰ সময়ছোৱাত তুমি কেনেদৰে সময় কটাইছিলা সেই বিষয়ে জনাই তোমাৰ বন্ধুলৈ এখন চিঠি লিখা । (চিঠিত তোমাৰ নাম আৰু ঠিকনা সাংকেতিক আখৰত লিখিবা ।) *4*

**4.** তলত দিয়া যিকোনো ***এটা*** খণ্ডবাক্যৰ অৰ্থ লিখি বাক্যৰচনা কৰা – *1×2=2*

(i) আঁঠু চোঙা

(ii) ঘৰ গিৰী

(iii) গা ঘেলা

## SECTION C
## (ব্যাকৰণ)

**5.** সমাৰ্থক শব্দ লিখা – (যিকোনো ***তিনিটা***) *3×1=3*

(i) ৰাতি

(ii) মেঘ

(iii) পৃথিৱী

(iv) বায়ু

**6.** প্ৰত্যয় যোগ কৰা – *3×1=3*

(i) মাথা+উৰি

(ii) মাজ+ইয়া

(iii) খেতি+অক

**7.** তলত দিয়া শব্দকেইটাৰ বিপৰীত অৰ্থ বুজোৱা শব্দ লিখা – (যিকোনো ***তিনিটা***) *3×1=3*

(i) প্ৰচুৰ

(ii) উদাৰ

(iii) জাগৰণ

(iv) বিশ্বাসী

**8.** লিংগ –

অসমীয়া ভাষাত কোন দুটা শব্দক স্বাভাৱিক স্ত্ৰী লিংগৰ বুলি ধৰা হৈছিল ? সেই শব্দ কেইটাক কেনেদৰে পুংলিংগ কৰা হয় ? *3*

## SECTION D
## (গদ্য ভাগ)

**9.** তলত দিয়া যিকোনো ***এটা*** প্ৰশ্নৰ উত্তৰ লিখা – *1×3=3*

(i) প্ৰকৃতিৰ কোনবোৰ নিয়মে পাহিক আকৃষ্ট কৰে ?

**নাইবা**

(ii) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত পল-আফতাবহঁতক কোনে, কেনেদৰে ৰক্ষা কৰিছিল ?

**10.** তলত দিয়া যিকোনো ***এটা*** প্ৰশ্নৰ উত্তৰ লিখা – *1×2=2*

(i) অম্লজান গেছৰ উপকাৰিতাৰ বিষয়ে লিখা ।

(ii) কোনগৰাকী ইংৰাজ মহিলাই কাজিৰঙাৰ জীৱ-জন্তু চাবলৈ আহিছিল ? তেখেতে কাক, কি অনুৰোধ কৰিছিল ?

## (পদ্য ভাগ)

**11.** ব্যাখ্যা কৰা – *1×3=3*

(i) পানী মৰে পিয়াহত অগ্নি মৰে জাৰত ।
খোদা ৰছুল লুকাই আছে মোমিনৰ আঁৰত ।।

**নাইবা**

(ii) তোমাৰ পাঠ্যপুথিক থকা "জিকিৰ" পাঠৰ মূল ভাৰ লিখা ।

**12.** তলত দিয়া যিকোনো ***এটা*** প্ৰশ্নৰ উত্তৰ লিখা – *1×2=2*

(i) জিকিৰ কাক বোলে ?

(ii) জিকিৰ সমূহৰ মাজেৰে কি প্ৰকাশ কৰা হৈছে ?